# দিশপুৰ মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৮ আগষ্ট ঃ** ৰাজ্যখনৰ উচ্চ শিক্ষাৰ আগশাৰীৰ অন্যতম প্ৰতিষ্ঠান দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাংগণত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। পুৱা অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষ ইন্দ্ৰাণী চৌধুৰী মহন্তই শ্বহীদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰতিষ্ঠা দিৱসৰ আহ্বায়ক ড° জ্যোতিষ গোস্বামীৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটোত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বৰ্ণালী বৰাই আঁতধৰাৰ লগতে মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল একত্ৰিকৰণৰ জৰিয়তে সামগ্ৰিক বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাবক প্ৰাধান্য দি মানৱ সম্পদ গঢ় দিয়াটো মহাবিদ্যালয়ৰ উদ্দেশ্য। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া বুলি মত পোষণ কৰি সাধনাক জীৱনৰ ব্ৰত হিচাপে লৈ ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়িবলৈ কয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক তথা বুৰঞ্জী বিভাগৰ প্ৰাক্তন অধ্যাপক ৰাজীৱ সন্দিকৈয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ বিষয়ে প্ৰাচীন জ্ঞান পৰম্পৰা খৰচি মাৰি বৰ্ণনা কৰে। ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ নাৰাখি সৰ্বাংগীণ বিকাশৰ জ্ঞান দিয়াহে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল উদ্দেশ্য বুলি অধ্যাপক সন্দিকৈয়ে কয়। উক্ত সভাতেই নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা অধ্যাপিকা চন্দনা শৰ্মা আৰু দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অমৰ শইকীয়া। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা'ৰ লগতে দিশপুৰ মহাবিদ্যালৰ বাৰ্ষিক আলোচনী 'দিশপুৰীয়ান', অসমীয়া বিভাগৰ হাতেলিখা আলোচনী 'প্ৰৱাহ' আৰু দিশপুৰ মহাবিদ্যালয় প্ৰকাশন পৰিষদৰ উদ্যোগত আই কে এছ কেন্দ্ৰৰ পৰা দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° মামণি কলিতাৰ সম্পাদনাত 'Indian Knowledge System : Philosophy, Science & Culture', মহিলা কোষৰ পৰা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনালিছা ভট্টাচাৰ্যৰ সম্পাদনাত 'Women and Assam', বুৰঞ্জী বিভাগৰ পৰা চেৰলিন ইংজাইপিৰ সম্পাদনাত 'Memory, Identity and History', ইংৰাজী বিভাগৰ পৰা ড° বিনয় চেতিয়াৰ সম্পাদনাত 'Memory : Uncharted Territories' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীৰ সহযোগত দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বলন কৰি দিনজোৰা কাৰ্যসূচীৰ সামৰণি পেলায়।

**টানেলৰ সম্প্ৰসাৰণ আৰু অৱশিষ্ট কাম**

নিবিদা জাননী নং. ঃ কন/২০২৫/এইউজি/০৭, তাৰিখ ঃ ২২-০৮-২০২৫; নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহবান কৰা হৈছে। নিবিদা নং. ঃ চিই/কন/জেআই/টিএন/২০২৫/১১; কামৰ নাম ঃ জিৰিবাম-ইম্ফল প্ৰকল্পৰ নতুন বিজি ৰেলৱে লাইন নিৰ্মাণৰ সৈতে সম্পৰ্কিত (১) খোংছাং-আৰাংখুল শাখাত চিএইচ ৭৬/৯৬৪ কিঃমিঃৰ পৰা ৭৭/০৬৪ৰ মাজত পোৰ্টেল-১ৰ শেষত ১০০ মিটাৰ দীঘল কাট এণ্ড কভাৰ নিৰ্মাণৰ জৰিয়তে টানেল ১৮এ-ৰ সম্প্ৰসাৰণ। (২) আৰাংখুল-ননি শাখাত চিএইচ ৮৪/৭৪০ কিমিৰ পৰা ৮৪/৯৮০.৪ কিমিৰ মাজত পোৰ্টেল-১ৰ শেষত টানেল টি-২৩এ (কাট এণ্ড কভাৰৰ দৈৰ্ঘ্য = ২৪০.৪০ মিঃ)ৰ সম্প্ৰসাৰণ

## অসমীয়া গীত-মাতৰ গাঁওখন